**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

## Headlines

১। ৰাজ্যত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। বান নিয়ন্ত্ৰণত সহায়ক হোৱাকৈ ৰাজ্যৰ কেইবাটাও স্থানত জলাশয় উন্নয়নৰ বাবে জলসম্পদ বিভাগৰ পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত।

৩। মাংকিপক্সত আক্ৰান্ত বুলি সন্দেহ কৰা লোকসকলৰ নিৰীক্ষণ আৰু পৰীক্ষাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ  কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ।

*আৰু*

৪। প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰ, অসম আৰক্ষী আৰু জিলা প্ৰশাসনসমূহৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ। পৰীক্ষাক লৈ ভুৱা তথ্য প্ৰচাৰৰ অভিযোগত এজনক গ্ৰেপ্তাৰ।

0000000

ৰাজ্যখনত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি ৰূপায়ণৰ বাবে বিভিন্ন দিশ চালিজাৰি চাবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আজি এখন বৈঠকত মিলিত হয়। এই পৰ্যায়ত ৩৭ লাখ মহিলা হিতাধিকাৰীৰ বেংক একাউণ্টত মাহিলী এহেজাৰ ২৫০ টকাকৈ প্ৰদানৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি বৈঠকত এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনাসমূহ সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে, এইবাৰ এই আঁচনিৰ অধীনত ৰাজনৈতিকভাৱে সক্ৰিয় পৰিয়ালসমূহক এই আঁচনিৰ আওতাৰ পৰা বাহিৰত ৰখাটো নিশ্চিত কৰা হ'ব। তদুপৰি আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ওজৰ-আপত্তি নিৰাময়ৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি দৰিদ্ৰ আৰু প্ৰান্তীয় অঞ্চলৰ হিতাধিকাৰী চিনাক্ত কৰাৰ বাবে শক্তিশালী ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে, ২০২০ চনত আৰম্ভ কৰা এই আঁচনিয়ে প্ৰথম অৱস্থাত ১৯ লাখ লোকক মাহিলি ৮৩০ টকাকৈ প্ৰদান কৰিছিল। সম্প্ৰতি ৩৭ লাখ লোকক ইয়াৰ দ্বাৰা উপকৃত কৰাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই আঁচনি ৰূপায়ণ কৰি অসম মহিলা হিতাধিকাৰীসকলক এনেধৰণে প্ৰথমবাৰৰ বাবে ধন প্ৰদান কৰা ৰাজ্যসমূহৰ অন্যতম হিচাপে পৰিগণিত হৈছে। দেশৰ কেবাখনো ৰাজ্যই অসমৰ পৰা এই আঁচনিৰ আৰ্হি গ্ৰহণ কৰাক লৈ মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

00000000

ৰাজ্যখনত বান নিয়ন্ত্ৰনত সহায় হোৱাকৈ জলসম্পদ বিভাগে কেইবাটাও স্থানত জলাশয় উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে ৯টা স্থান বাছনি কৰি প্ৰাৰম্ভিক গৱেষণা আৰু ক্ষেত্ৰ পৰিদৰ্শনৰ কাম অব্যাহত ৰখা হৈছে। আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই বিভাগীয় মুখ্য অভিযন্তা আৰু সকলো সংমণ্ডলৰ অভিযন্তাৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বৈঠকত মিলিত হৈ এই বিষয়ে আলোচনা কৰে। এই আলোচনাকালত ৰাজ্য চৰকাৰৰ বিশেষ মুখ্য সচিব ছৈয়দ্দিন আববাচিও উপস্থিত থাকে। এই বৈঠকত

ৰাজ্যখনৰ বান খহনীয়াৰ সমস্যা নিয়ন্ত্ৰণৰ বাবে উপায় উদ্ভাৱন সন্দৰ্ভত খৰচি মাৰি আলোচনা কৰা হয়। জলসম্পদ মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীসকলে গ্ৰহণ কৰা ভূমিকাক প্ৰশংসা কৰে।

oooooooo

সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধাৰী আৰু ৰাজ্যসমূহৰ বিত্ত মন্ত্ৰীসকল উপস্থিত আছিল। উল্লেখযোগ্য যে চলিত বৰ্ষৰ জুন মাহত অনুষ্ঠিত এই পৰিষদৰ পূৰ্বৰ বৈঠকত তীখা, লো আৰু এলুমিনিয়ামৰ সকলো গাখীৰৰ কেনত ১২ শতাংশ জি এছ্ টি ধাৰ্য কৰা হৈছিল। বৈঠকত ভাৰতীয় ৰে'লৱেই প্ৰদান কৰা বিভিন্ন সেৱাসমূহত জি এছ্ টি আৰোপ নকৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছিল। এই সেৱাসমূহৰ ভিতৰত প্লেটফৰ্ম টিকট বিক্ৰী, ৰিটায়াৰিং ৰূম, জিৰণি চ'ৰা আৰু বেটাৰী চালিত বাহনৰ সেৱা আদি আছে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে এম পক্স নাইবা মাংকি পক্সত আক্ৰান্ত বুলি সন্দেহ কৰা লোকসকলৰ নিৰীক্ষণ আৰু পৰীক্ষাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ এই পৰামৰ্শ জাৰি কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই এম পক্সক লৈ জনস্বাস্থ্যৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উদ্বেগ সৃষ্টিকাৰী জৰুৰী অৱস্থা ঘোষণা কৰাৰ পাছতে কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই এই বিষয়ে নিৰ্দেশনা জাৰি কৰে। এই পৰামৰ্শত মন্ত্ৰালয়ে এম পক্স সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে এনে ঘটনা চিনাক্ত হোৱা মাত্ৰেই অৱগত কৰি প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈছে। তদুপৰি এই ৰোগক লৈ জনসাধাৰণৰ মাজত যাতে আতংকৰ সৃষ্টি নহয় সেই কথা লক্ষ্য ৰাখিবলৈ কোৱা হৈছে। মন্ত্ৰালয়ে লগতে জিলা আৰু ৰাজ্যিক পৰ্যায়ত জ্যেষ্ঠ বিষয়াসকলৰ দ্বাৰা ৰাজহুৱা স্বাস্থ্য আৰু চিকিৎসা ব্যৱস্থাৰ প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা চলাবলৈ পৰামৰ্শ দিছে। তদুপৰি ৰাজ্যসমূহক এনে ৰোগত আক্ৰান্ত লোকক চিনাক্ত কৰি চিকিৎসালয়ত আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰাৰ লগতে এই ৰোগত আক্ৰান্ত আৰু আক্ৰান্ত বুলি সন্দেহ কৰা লোকসকলৰ বাবে প্ৰয়োজনীয় চিকিৎসা সামগ্ৰী আৰু প্ৰশিক্ষিত মানৱ সম্পদ সাজু কৰি ৰাখিবলৈ কোৱা হৈছে। ছালৰ ৰোগ, যৌন সংক্ৰমিত ৰোগৰ চিকিৎসা প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থাসমূহৰ স্বাস্থ্যকৰ্মীসকলক বিশেষভাৱে সতৰ্কতামূলক নিৰ্দেশনা মানি চলিবলৈ কোৱা হৈছে। কেন্দ্ৰীয় স্বাস্থ্য সচিবগৰাকীয়ে পৰিস্থিতিৰ ওপৰত সূক্ষ্ম দৃষ্টি ৰখাৰ লগতে ৰাজ্যৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক এই ক্ষেত্ৰত সকলো ধৰণে সহায় সহযোগ আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিছে।

উল্লেখযোগ্য যে ভাৰতত পশ্চিম অফ্ৰিকীয় প্ৰকাৰৰ দুজন লোক এম পক্সত আক্ৰান্ত হোৱা বুলি নিশ্চিত হৈছে। দুয়োগৰাকী আক্ৰান্তৰ স্বাস্থ্য সুস্থিৰ অৱস্থাত আছে আৰু এই প্ৰকাৰৰ সংক্ৰমণক লৈ জনস্বাস্থ্য জড়িত জৰুৰী অৱস্থা ঘোষণা কৰা হোৱা নাই।

oooooooo

ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি ৰূপায়ণ কৰা সদস্য ভৰ্তি অভিযানৰ অংশ হিচাপে আজি বশিষ্ঠত থকা দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশ লয়। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত ৱাৰ্ড পাৰিষদসকলৰ সৈতেও মত বিনিময় কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই অভিযানৰ বাৰ্তা জনসাধাৰণৰ মাজলৈ লৈ যাবলৈ দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায়। ইপিনে এই অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে

গুৱাহাটীত ১০ খন জিলাৰ দলীয় সভাপতি, মণ্ডল সভাপতি আৰু সদস্য ভৰ্তি অভিযানৰ কৰ্ম-কৰ্তাসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনা কৰে। তেওঁ লগতে এই অভিযানৰ সবিশেষ বুজ লৈ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, আজি এই অভিযানৰ অংশ হিচাপে দলীয় নেতৃত্বই ডিব্ৰুগড়কে ধৰি ৰাজ্যৰ ১০ খন জিলাৰ তদাৰকৰ দায়িত্ব তেওঁক অৰ্পণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিকশিত আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে দলটোৰ সৈতে জনসম্পৰ্ক শক্তিশালী কৰিবলৈ নতুন সদস্য ভৰ্তি অভিযান তীব্ৰতৰ কৰি তোলাৰ বাবে মন্ত্ৰীগৰাকীয়ে সকলো কাৰ্যকৰ্তাক আহ্বান জনায়।

oooooooo

সন্তান সম্ভৱা, মাতৃ আৰু শিশুৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় পোষণ মাহৰ অধীনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ত আজি ৰাষ্ট্ৰীয় পোষণ মাহৰ উদ্বোধন কৰা হয়। জিলাখনৰ ২০৪খন অংগনবাড়ী কেন্দ্ৰক লৈ পোষণ মাহৰ শুভাৰম্ভ কৰা হয়। প্ৰতিখন অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকলে প্ৰসূতি আৰু শিশুসকলৰ মাজত পুষ্টিকৰ খাদ্য গ্ৰহণৰ বাবে সজাগতা আনিবলৈ আলোচনা কৰে। ইয়াৰ লগতে ৰাষ্ট্ৰীয় পোষণ মাহৰ সৈতে সংগতি ৰাখি পুষ্টিকৰ খাদ্য মেলাৰো আয়োজন কৰা হয়।

একেদৰে গোলাঘাটৰ জিলা আযুক্তৰ কাৰ্যালয়তো ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৪ৰ উদ্বোধন কৰা হয়। মাতৃ আৰু শিশুসকলক পুষ্টিহীনতা আৰু ৰক্তহীনতাৰ পৰা মুক্ত কৰাৰ বাবে জিলাখনত মাহজোৰা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। উদ্বোধনী অনুষ্ঠানত অংশ লৈ জিলা উন্নয়ন আযুক্ত বিবেক শ্যামে ভাষণ প্ৰসঙ্গত পুষ্টিৰ বিষয়ে সজাগতা বৃদ্ধি, আহাৰৰ পদ্ধতি উন্নত কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম বঁটাৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। এই বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন অহা ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাৰ বাবে ভালে সংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত দশকটোত চৰকাৰে অসংখ্য তৃণমূল পৰ্যায়ৰ নায়কক পদ্ম সন্মানেৰে সন্মানিত কৰি আহিছে। তেওঁ কয় যে, এই সন্মান প্ৰাপকসকলৰ জীৱন যাত্ৰাই অগণন লোকক উদ্বুদ্ধ কৰাৰ লগতে এই লোকসকলৰ কামকাজত দৃঢ়তা আৰু অধ্যাৱসায় স্পষ্টভাৱে প্ৰতিফলিত হয় বুলি তেওঁ উল্লেখ কৰে। এই বঁটা প্ৰদান প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু অংশীদাৰমূলক কৰি তোলাৰ বাবে চৰকাৰে জনসাধাৰণৰ পৰা এই বঁটাৰ বাবে মনোনয়ন বিচাৰিছে বুলি তেওঁ উল্লেখ কৰে।

oooooooo

ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে চলিত বৰ্ষৰ ১ জুলাইৰ পৰা অহা বৰ্ষৰ ৩১ ডিচেম্বৰ পৰ্যন্ত অৱসৰ ল'ব লগা শিক্ষক-কৰ্মচাৰীৰ তথ্য দাখিল কৰিবলৈ সকলো জিলাৰ শিক্ষা বিষয়ালৈ নিৰ্দেশনা প্ৰেৰণ কৰিছে। নিৰ্দেশনা অনুসৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত অৱসৰ গ্ৰহণ কৰিবলগীয়া নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিক শিক্ষক, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ তথ্য নিৰ্দিষ্ট প্ৰপত্ৰত ১৯ ছেপ্তেম্বৰৰ ভিতৰত ই-মেইলৰ জৰিয়তে সঞ্চালকালয়ৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। শিক্ষা বিভাগৰ এক সূত্ৰ অনুসৰি অহা বৰ্ষৰ ভিতৰত অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে আবেদন কৰিব পৰাকৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত সহস্ৰাধিক পদ মুকলি হোৱাৰ সম্ভাৱনা আছে।

oooooooo

অহা ১৫ ছেপ্তেম্বৰত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰ, অসম আৰক্ষী আৰু জিলা প্ৰশাসনসমূহে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে প্ৰতিখন জিলাতে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। আনহাতে, অসম আৰক্ষীয়ে আজি এই পৰীক্ষাক লৈ ভুৱা তথ্য প্ৰচাৰ কৰাৰ অভিযোগত এজন লোকক আটক কৰে। সামাজিক মাধ্যমত নিযুক্তি পৰীক্ষাক লৈ ভুৱা তথ্য দিয়াৰ অভিযোগত আৰক্ষীয়ে চাপৰত সুৰত জামাল নামৰ লোকজনক আটক কৰে।

আনহাতে, ৰাজ্যিক নিযুক্তি আয়োগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষাৰ বাবে লখিমপুৰ জিলাৰ পৰীক্ষা কেন্দ্ৰসমূহত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত জিলা দণ্ডাধীশগৰাকীয়ে লিখিত পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰসমূহত এই নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসোৰে পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ দায়িত্ব নিয়োজিত কৰ্মচাৰীৰ বাহিৰে অন্য লোকৰ সমাবেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কোনো প্ৰাৰ্থীয়ে মোবাইল ফোন বা আন কোনো ধৰণৰ ডিজিটেল যোগাযোগৰ মাধ্যম পৰীক্ষা কেন্দ্ৰসমূহলৈ নিব নোৱাৰিব। প্ৰাৰ্থীসকলে কেলকুলেটৰ, পেন ড্ৰাইভ, কাগজ, পাঠ্যপুথি বা অন্য কোনো অসৎ উপায় অৱলম্বন কৰা সামগ্ৰীও কেন্দ্ৰলৈ নিব নোৱাৰিব। এই আদেশ অমান্য কৰাসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'বৌ বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

ইপিনে, তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ে নিযুক্তি পৰীক্ষা সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। পৰিক্ষাৰ্থীসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তথা পৰীক্ষা সুকলমে অনুষ্ঠিত হয় তাৰ প্ৰতি পৰীক্ষাত নিয়োজিত সকলো ব্যক্তিকে চোকা দৃষ্টি ৰাখিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। সভাৰ অন্তত বাছ সন্থা আৰু ই-ৰিক্সা সন্থাৰ বিষয়ববীয়াৰ সৈতে আন এখন বৈঠক অনুষ্ঠিত হয়। দূৰণিবটীয়া পৰিক্ষাৰ্থীসকলে যাতে পৰীক্ষা কেন্দ্ৰলৈ সহজে যাব পাৰে সেই সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়।

উল্লেখযোগ্য যে ৰাজ্যিক নিযুক্তি আয়োগৰ অধীনত অহা ১৫, ২৯ ছেপ্তেম্বৰ আৰু ২৭ অক্টোবৰত নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে দক্ষিণ কামৰূপ অঞ্চলৰ পলাশবাৰীত একাংশ উদ্যোগী আৰু ব্যৱসায়ীয়ে অবৈধভাৱে চলোৱা নিৰ্মাণ কাৰ্যৰ ফলত নলা-নৰ্দমা বন্ধ হৈ সৃষ্টি হোৱা কৃত্ৰিম বান সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ে কৃত্ৰিম বানৰ ঘটনাৰ তদন্তৰ বাবে অঞ্জন কলিতাক নিযুক্তি দিছে। আদালতৰ নিৰ্দেশ অনুসৰি তেওঁ অঞ্চলটোত সৃষ্টি হোৱা কৃত্ৰিম বানৰ সমস্যা সন্দৰ্ভত ক্ষেত্ৰভিত্তিক অনুসন্ধান চলাব। অনুসন্ধান চলোৱাৰ লগতে সকলো পক্ষৰ মতামত গ্ৰহণ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ শ্ৰীকলিতাক নিৰ্দেশ দিয়া হৈছে। উচ্চ ন্যায়ালয়ে অৰ্পণ কৰা দায়িত্ব তেওঁ যাতে সুচাৰুৰূপে সম্পাদন কৰিব পাৰে তাৰ বাবে স্থানীয় প্ৰশাসন আৰু আৰক্ষীক সহায় কৰিবলৈও নিৰ্দেশনাত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে পলাশবাৰী অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ সমস্যাৰ ক্ষেত্ৰত হস্তক্ষেপ বিচাৰি ৯জন স্থানীয় লোকে উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

অসম গণ পৰিষদ দলৰ ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অহা ১৪ অক্টোবৰত ডিব্ৰুগড় জিলাৰ চাবুৱাৰ জেৰাইত অনুষ্ঠিত কৰাৰ বাবে দলে সিদ্ধান্ত গ্ৰহণ কৰিছে। দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনাৰ বাবে আজি জেৰাইৰ মিনি ষ্টেডিয়ামত দলৰ কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ বিষয়ববীয়া, ভাতৃ-ভগ্নী সংগঠনৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজৰ উপস্থিতিত আজি এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে দিৱস উদযাপনৰ বাবে সমিতি গঠন কৰা হয়।

oooooooo

আই আই টি গুৱাহাটীৰ ছাত্ৰাবাসত আজি এজন ছাত্ৰৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াৰ পাছতেই ছাত্ৰজনৰ মৃত্যুৰ তদন্ত বিচাৰি প্ৰতিষ্ঠানখনৰ সহস্ৰাধিক ছাত্ৰই প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে, প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই ছাত্ৰজনৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

oooooooo

ৰাষ্ট্ৰীয় গ্ৰামীন বিকাশ নীধিৰ উদ্যোগত গ্ৰামাঞ্চলৰ মহিলাসকলক চৰকাৰী কল্যাণকামী আঁচনিসমূহৰ সন্দৰ্ভত সজাগ কৰাৰ লক্ষ্যৰে আজি মৰিগাঁও জিলাৰ মায়ং উন্নয়ন খণ্ডত এখন সজাগতা সভা অনুষ্ঠিত হয়। উন্নয়ন খণ্ডটোৰ বিভিন্ন গাঁৱৰ অসম ৰাজ্যিক গ্ৰামীন জীৱীকা অভিযানৰ সখীসকলে অংশ লোৱা এই সভাত নাবাৰ্ড আৰু অন্য বেংকৰ উপৰি কৃষি, গ্ৰামোন্নয়ন আদি বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সমল ব্যক্তিসকলে কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ দ্বাৰা যাতে মহিলাসকল উপকৃত হ'ব পাৰে তাৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়।

oooooooo

ট্ৰেডিঙৰ নামত গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা স্বপ্নীল দাসক আজি কামৰূপ মহানগৰ জিলাৰ সত্ৰ আৰু ন্যায়াধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। ট্ৰেডিঙৰ নামত অবৈধ কাৰ্যকলাপ কৰাৰ অভিযোগত দিছপুৰ আৰক্ষীয়ে স্বপ্নীল দাসক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত স্বপ্নীলক আজি আদালতত হাজিৰ কৰোৱা হয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অনলাইন ট্ৰেডিং গোচৰৰ তদন্তৰ দায়িত্ব অপৰাধ অনুসন্ধান শাখাক অৰ্পণ কৰিছে। আয়কৰ বিভাগ আৰু বিধি বলবৎকাৰী সংস্থাৰ সহযোগত আৰক্ষীয়েও এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। প্ৰয়োজন হ'লে তদন্তৰ দায়িত্ব কেন্দ্ৰীয় অনুসন্ধান সংস্থা চমুকৈ চি-বি-আইক অৰ্পণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। চি-আই-ডিয়ে ইতিমধ্যে বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰি তদন্ত অব্যাহত ৰাখিছে।

oooooooo

**সমাপ্ত**